NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024
**Time :** 07.05 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। কেন্দ্ৰীয় চৰকাৰে ১৪বিধ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি, মহাৰাষ্ট্ৰৰ ৱধাৱন বন্দৰ বিকশাই তোলা আৰু গুজৰাট আৰু তামিলনাডুত সমুদ্ৰ তীৰৰ সমীপত প্ৰথম পৱন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে কেবিনেটৰ সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে।

৩। চৰকাৰে জুনত অনুষ্ঠিত ইউ জি চি নেট পৰীক্ষা বাতিল কৰিছে।

৪। তামিলনাডুৰ কল্লাকুৰুচিত তথাকথিতভাৱে বিষাক্ত সুৰা পান কৰাৰ ফলত ১৫জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ১৫জনৰো অধিক লোক অসুস্থ হৈ পৰিছে। *আৰু*

৫। দক্ষিণ আফ্ৰিকাই যোৱা নিশা এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ১৮ ৰাণত পৰাস্ত কৰে।

oooooooo

কেন্দ্ৰীয় চৰকাৰে ১৪বিধ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধি, মহাৰাষ্ট্ৰৰ ৱধাৱন বন্দৰ বিকশাই তোলা আৰু গুজৰাট আৰু তামিলনাডুত সমুদ্ৰ তীৰৰ সমীপত প্ৰথম পৱন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰে লগতে বাৰানসী বিমান বন্দৰৰ উন্নয়ন আৰু ৰাষ্ট্ৰীয় ফৰেণচিক আন্তঃগাঁথনি উন্নয়নৰ হকেও সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে চৰকাৰে কেবিনেট বৈঠকত পাঁচটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয় যে কেবিনেটে ২০২৪-২৫ বিপণন বৰ্ষৰ বাবে ১৪বিধ খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিত অনুমোদন জনাইছে। ধান, কপাহ, মিলেট, দাইল আৰু তৈলবীজৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিৰ সিদ্ধান্তই খেতিয়কসকলক উপকৃত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে কৃষকৰ কল্যাণৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ জৰিয়তে পৰিৱৰ্তনৰ ধাৰা অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ বাবেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ তৃতীয়টো কাৰ্যকাল অতিকে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। চৰকাৰে সমগ্ৰ দেশত ২ লাখ গুদাম নিৰ্মাণ কৰাৰ বাবে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰে মহাৰাষ্ট্ৰৰ ৱধাৱন বন্দৰ সকলো বতৰৰ বাবে উপযোগী সেউজ বন্দৰ বিকশাই তোলাৰ সিদ্ধান্ত লৈছে। তেওঁ কয় যে এই বন্দৰটো নিৰ্মাণ কৰাৰ বাবে ৭৬ হাজাৰ কোটিৰো অধিক টকা ব্যয় কৰা হ'ব আৰু সম্পূৰ্ণ হোৱাৰ পাছত এইটো বিশ্বৰ আগশাৰীৰ ১০টা বন্দৰৰ অন্যতম হ'ব। শ্ৰী বৈষ্ণৱে কয় যে বন্দৰটো দুটা পৰ্যায়ত বিকশাই তোলা হ'ব আৰু ইয়াৰ মাল পৰিবহন সামৰ্থ্য ২ কোটি ৩০ লাখ টন হ'ব। এই বন্দৰটোৱে অনাগত সময়ত প্ৰায় ১২ লাখ লোকক কৰ্মসংস্থাপন প্ৰদান কৰিব বুলি তেওঁ উল্লেখ কৰে।

শ্ৰীবৈষ্ণৱে কয় যে চৰকাৰে দেশৰ নবীকৰণযোগ্য শক্তি সামৰ্থ্য বৃদ্ধিৰ বাবে অহৰহ কাম কৰি আছে আৰু এই দিশত সমুদ্ৰ তীৰৰ সমীপত প্ৰথম পৱন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে গুজৰাট আৰু তামিলনাডুত ৫০০ মেগাৱাট বিদ্যুৎ উৎপাদন ক্ষমতাবিশিষ্ট দুটা প্ৰকল্প আৰম্ভ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে লগতে দুহেজাৰ ৮৬৯ কোটি টকা ব্যয়সাপেক্ষে বাৰানসীৰ লাল বাহাদুৰ শাস্ত্ৰী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ উন্নয়নৰ প্ৰস্তাৱত অনুমোদন দিছে। অন্য এটা সিদ্ধান্তৰ বিষয়ে উল্লেখ কৰি শ্ৰীবৈষ্ণৱে কয় যে কেবিনেটে ৰাষ্ট্ৰীয় ফৰেণচিৰ আন্তঃগাঁথনি উন্নয়ন আঁচনিতো অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত দেশৰ বিভিন্ন প্ৰান্তত ৰাষ্ট্ৰীয় ফৰেণচিক বিজ্ঞান বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান পৰীক্ষাগাৰৰ অতিৰিক্ত চৌহদ স্থাপন কৰা হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে কেবিনেটৰ সিদ্ধান্তৰ প্ৰতি আদৰণি জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে কৈছে যে চৰকাৰে কৃষকসকলৰ কল্যাণৰ বাবে নিৰন্তৰ পদক্ষেপ লৈ আহিছে। চৰকাৰ সমগ্ৰ দেশত যোগাযোগ ব্যৱস্থাৰ সম্প্ৰসাৰণৰ বাবে বদ্ধপৰিকৰ বুলি শ্ৰীমোডীয়ে মন্তব্য কৰে। তেওঁ কয় যে বাৰানসী বিমান বন্দৰৰ উন্নয়নে জনসাধাৰণৰ জীৱন সূচল কৰি তুলিব আৰু কাশী ভ্ৰমণ কৰিব বিচৰা তীৰ্থযাত্ৰীসকলৰ সুবিধা হ'ব। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে গুজৰাট আৰু তামিলনাডুৰ সমুদ্ৰ তীৰৰ সমীপত পৱন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্তই দেশত নবীকৰণযোগ্য শক্তি সামৰ্থ্য বৃদ্ধি কৰিব, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু কাৰ্বন নিষ্কাশন হ্ৰাস কৰাত সহায় কৰিব। মহাৰাষ্ট্ৰৰ ৱধাৱন বন্দৰ বিকশাই তোলাৰ সিদ্ধান্তই অৰ্থনৈতিক প্ৰগতি ত্বৰান্বিত কৰিব আৰু ব্যাপক পৰিসৰত কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব বুলি শ্ৰীমোডীয়ে প্ৰকাশ কৰে।

ইফালে, গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমযোগে কৈছে যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত এন ডি এ চৰকাৰ কৃষকৰ কল্যাণ আৰু সমৃদ্ধিৰ বাবে বদ্ধপৰিকৰ। ৱধাৱন বন্দৰ প্ৰকল্পক যুগান্তকাৰী বুলি অভিহিত কৰি শ্ৰীশ্বাহে কয় যে ইয়াৰ ফলত দেশত সামুদ্ৰিক সামৰ্থ্যৰ পূৰ্ণ ব্যৱহাৰ সম্ভৱপৰ হৈ উঠিব।

00000000

চৰকাৰে চলিত মাহৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা , UGC NET বাতিল কৰিছে। পৰীক্ষাৰ নতুন সূচী আৰু তথ্য পুনৰ প্ৰকাশ কৰা হ 'ব বুলি জানিবলৈ দিয়া হৈছে।

ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই দাখিল কৰা কিছু তথ্যৰ পাছতে পৰীক্ষা বাতিলৰ সিদ্ধান্ত লোৱা হয়। বিষয়টোৰ তদন্তৰ ভাৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ হাতত অৰ্পণ কৰা হৈছে। দেশৰ বিভিন্ন চহৰত যোৱা মঙলবাৰে এই পৰীক্ষা অনুষ্ঠিত হৈছিল।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে জম্মু কাশ্মীৰলৈ যাব। তাত তেওঁ এহেজাৰ ৫শ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ৮৪ টা গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে আজি শ্ৰীনগৰত আয়োজিত যুৱ প্ৰজন্মৰ সবলিকৰণ, জম্মু-কাশ্মীৰৰ পৰিৱৰ্তন শীৰ্ষক এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰিব। তেওঁ দুহেজাৰৰো অধিক প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰাৰ লগতে এহেজাৰ ৮শ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া কৃষি আৰু আনুসংগিক ক্ষেত্ৰত প্ৰতিযোগিতাত

উন্নয়ন ব্যৱস্থা মুকলি কৰিব। শ্ৰীমোদীয়ে কাইলৈ শ্ৰীনগৰত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব আৰু যোগ দিৱসৰ লগত সংগতি ৰাখি আয়োজন কৰা সভাক সম্বধোধন কৰিব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ্বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

oooooooo

তামিলনাডুৰ কল্লাকুৰুচিত তথাকথিতভাৱে বিষাক্ত সুৰা পান কৰাৰ ফলত ১৫জন লোকে প্ৰাণ হেৰুৱাইছে আৰু অন্য ১৫জনৰো অধিক লোক অসুস্থ হৈ পৰিছে। অসুস্থ লোককেইজনক কল্লাকুৰুচি আৰু ছলেম চৰকাৰী চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। জিলাধিপতি শ্ৰৱন কুমাৰ জাটৱথে কৈছে যে এতিয়ালৈকে মৃত্যুৰ কাৰণ নিশ্চিত কৰিব পৰা হোৱা নাই। তেওঁ কয় যে অধিকাংশ লোক মূৰ ঘূৰোৱা, পেটৰ বিষ আৰু চকু জ্বলা-পোৰা কৰাৰ সমস্যাত ভূগিছে। ১০জনৰো অধিক লোকক উন্নত চিকিৎসাৰ বাবে পুডুচেৰীৰ জৱাহৰ লাল স্নাতকোত্তৰ চিকিৎসা শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানলৈ প্ৰেৰণ কৰা হৈছে বুলি জিলাধিপতিগৰাকীয়ে প্ৰকাশ কৰিছে। ৰাজ্যখনৰ স্বাস্থ্য মন্ত্ৰী এম সুব্ৰমন্যম অসুস্থ লোকসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ বাবে চিকিৎসালয়ত উপস্থিত হৈছে। ইতিমধ্যে এই ঘটনাৰ এটা তদন্তৰ নিৰ্দেশ দিয়া হৈছে।

oooooooo

বিদেশ মন্ত্ৰী ড °এছ জয়শংকৰ শ্ৰীলংকাৰ চৰকাৰী ভ্ৰমণৰ অংশ হিচাপে আজি কলম্বোত উপস্থিত হ'ব। ভ্ৰমণকালত ড০ জয়শংকৰ শ্ৰীলংকাৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত বিভিন্ন বিষয় লৈ বৈঠকত মিলিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত নতুন চৰকাৰ গঠনৰ পাছত এয়া হ'ল বিদেশ মন্ত্ৰীগৰাকীৰ প্ৰথমটো দ্বিপাক্ষিক ভ্ৰমণ। এই ভ্ৰমণে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিক পুনৰ প্ৰকাশ কৰাৰ উপৰি ঘনিষ্ঠ সামুদ্ৰিক প্ৰতিবেশী আৰু বন্ধুৰাষ্ট্ৰ হিচাপে শ্ৰীলংকাৰ প্ৰতি দেশৰ অবিৰত দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে যোগাযোগ প্ৰকল্প আৰু অন্যান্য খণ্ডসমূহত উভয় দেশৰ বাবে লাভজনক সহযোগিতা ত্বৰান্বিত কৰিব।

০০০০০০০০

দক্ষিণ আফ্ৰিকাই যোৱা নিশা এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ১৮ ৰাণত পৰাস্ত কৰে। আমেৰিকাই ১৯৫ ৰাণৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আমেৰিকাৰ হৈ এণ্ড্ৰিজ গ'ছে ৮০ ৰাণ কৰি অপৰাজিত হৈ ৰয়। হৰমিত সিঙে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে কেশৱ মহাৰাজ, এনৰিক নাৰ্খিয়া আৰু টবৰেজ ছাম্‌চিয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৯৪ ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কুইণ্টন ডি ককে ৭৪ ৰাণ আৰু এডেন মাৰ্কৰমে ৪৬ ৰাণৰ বৰঙণি আগবঢ়ায়। কুইণ্টন ডি ককক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত সম্প্ৰতি ছেইণ্ট লুছিয়াত অনুষ্ঠিত এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হৈছে। খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি এটাও উইকেট নেহেৰুৱাকৈ ১০ অভাৰত ৮২ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ভাৰত বাৰবাডোছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আজিৰ দ্বিতীয়খন খেলত আফগানিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০০০

সমাপ্ত